কথা সুধি সুধি মোক আমনি কৰি থাকিবলৈ ধৰিলে।

বাৰীৰ পিছফালে জেওৰাখন ভাগিলত জেওৰা দিবলৈ বুলি হাবি অলপ কাটি থাকোঁতে হৃদয় বিদাৰক ঘটনাটো দেখি মৌন হৈ পৰিলোঁ। দুচকুৰে লোতক নিগৰি আহিল। কোনোবা দুষ্ট প্ৰকৃতিৰ লোকে দুখন ছিটিকা পাতি থৈছে। এনে ছিটিকাত এটা ডাউক চিপ লৈ ওলমি আছে। বুজিবলৈ বাকী নাথাকিল ইমান দিনে অসুৰবোৰে এটা এটাকৈ গোটেইকেইটা শেষ কৰিলে। কেইদিনমানৰ পৰা এটাহে দেখি আছিলোঁ। সেইটোও আজি শেষ। শেষ হৈ গ'ল ২০ বছৰৰ পৰা গঢ়ি উঠা এটা আন্তৰিকতা। এনেদৰে ধ্বংস হৈ গৈছে প্ৰকৃতিৰ বিভিন্ন সৃষ্টি আৰু এনেদৰে বিলুপ্তি ঘটিছে আমাৰ চিৰ পৰিচিত পক্ষীবোৰ। আহক আমি পশু-পক্ষীৰ প্ৰতি মৰমিয়াল আৰু সহানুভূতিশীল হ'বলৈ শিকোঁ।

**ফণীন্দ্ৰ বৰগোহাঁই,**
সৰিয়হজান, বোকাজান, কাৰ্বি আংলং-৭৮২৪৮০

## চকু সাৰ

সৰুকালৰে পৰা ফুলনি পতাত মোৰ যথেষ্ট চখ। ৰাতিপুৱা-গধূলিৰ আজৰি সময়খিনি ফুলগছবিলাকৰ কাষত কটাই মই অনন্য তৃপ্তি পাওঁ। মানসিক স্বাস্থ্যত ধ্যানৰ প্ৰভাৱৰ দৰেই গছৰ সান্নিধ্য মানুহৰ মনৰ সজীৱতা, ইচ্ছাশক্তি আদি বৃদ্ধিৰ কাৰক হ'ব পাৰে। কাৰণ গছৰ লগত কটোৱা সময়খিনিত মই পৃথিৱীৰ সুখী মানুহবোৰৰ এজন হৈ পৰোঁ! সেইখিনি সময়তে কোনজোপা গছৰ কি আদৰ-যতন লোৱাৰ প্ৰয়োজন আছে, সেয়াও মোৰ চকুত পৰিবলৈ সুবিধা হয়। এই অনুভৱখিনিক এদিন মই মোৰ সত্তৰ অতিক্ৰম কৰা মামাৰ আগত বৰ্ণনা কৰোঁতে তেখেতৰ পৰা এটা নতুন কথা শিকিলোঁ। মামাই ক'লে যে মই নিজে ৰোৱা লহপহকৈ বাঢ়ি অহা ফুল এজোপাৰ কাষত ৰৈ যিখিনি সন্তুষ্টি পাম, সেইখিনি কোনোবা মালীৰ যতনত জাকজমক হৈ থকা অভিজাত পাৰ্ক এখনত বহু সময় বহি থাকিলেও নাপাওঁ। কাৰণ পাৰ্কখনৰ গছৰ লগত মোৰ আত্মিক সম্পৰ্ক নাথাকে। খেতিয়ক এজনে নিজে কৰা খেতিডৰালৈ, বাৰীত ৰোৱা পাণজোপালৈ যেতিয়া নয়ন ভৰি চাই থাকে তেতিয়া গছজোপা আৰু খেতিয়কজনে পৰস্পৰক বিশেষ ধৰণৰ সাৰ প্ৰদান কৰে। ইয়াকে আগৰ দিনত 'চকু সাৰ' বুলিছিল। এই বিশেষ সাৰে গছজোপাৰ বৃদ্ধি আৰু বিকাশত সহায় কৰাৰ লগতে খেতিয়কজনে বিনিময়ত লাভ কৰা সেই সাৰে তেখেতৰ কৰ্মসন্তুষ্টি, উদ্যমশক্তি বৃদ্ধিত অৰিহণা যোগায় বুলি ভবা হয়। মামাৰ পৰা পোৱা 'চকু সাৰ'ৰ এই সুন্দৰ ধাৰণাটোৱে আমাৰ পিতৃ-পিতামহৰ দিনৰে পৰা চলি অহা মানুহ আৰু প্ৰকৃতিৰ মাজৰ আত্মাৰ চিৰন্তন সম্বন্ধ বুজাত বহুখিনি সহায়ক হ'ল।

**উপাসনা শৰ্মা বৰুৱা,**
পূৰ্বায়ন, উপপথ নম্বৰ ৩, পশ্চিম চানমাৰি, ৱাৰ্ড নম্বৰ-১৪, উত্তৰ লখিমপৰ-৭৮৭০৩১,
ফোন ঃ ৯৪০১২২১০৫৯

## জীয়াই থকাৰ মন্ত্ৰ শিকোৱা মানুহজন

নব্বৈৰ ওচৰৰ বয়সৰ এজন মানুহৰ মৃত্যু ইমান অপ্ৰত্যাশিত নহয় যদিও হোমেন বৰগোহাঞি ছাৰৰ মৃত্যুৱে গোটেই অসমকে কন্দুৱাই থৈ গ'ল। কিমান গুণৰ অধিকাৰী হ'লে ঊনানব্বৈ বছৰীয়া এজন ব্যক্তিৰ মৃত্যুৱে গোটেই ৰাজ্যখনকে গভীৰ বিষাদত ডুবাই পেলাব পাৰে! অসমীয়া মানুহক কিতাপ পঢ়িবলৈ শিকোৱাই নহয়, বহুতো বিদেশী গ্ৰন্থৰ লগত চিনাকি কৰাই দিয়া শ্ৰদ্ধাৰ বৰগোহাঞি ছাৰ আছিল সঁচাকৈয়ে অনন্য। নব্বৈ বছৰলৈকে সৃষ্টিশীল কামৰ নিচাত মচগুল হৈ থাকিবলৈ পৰিকল্পনা কৰা এই মানুহজনৰ মৃত্যু অসমীয়া বৌদ্ধিক জগতৰ কাৰণে এটা ডাঙৰ ক্ষতি। চিকিৎসক নোহোৱাকৈ সুস্বাস্থ্যৰ ইমান সৰল সংজ্ঞা আগবঢ়োৱা এনেকুৱা পুৰোধা ব্যক্তি হয়তো আৰু এজন নোলাব। একোটা বাৰ্তা কঢ়িয়াই আনিছিল তেখেতৰ প্ৰতিটো লেখাই। বৰগোহাঞি ছাৰৰ লেখাৰ পৰাহে আমি জানিব পাৰিছিলোঁ যে স্বাস্থ্য আৰু মানসিক শান্তিৰ কিমান যে ওচৰৰ সম্পৰ্ক। অসমৰ বৌদ্ধিক, সামাজিক, সংবাদ জগতৰ লগতে সাংস্কৃতিক জগতৰ একনিষ্ঠ সাধকজনক তেখেতৰ মহৎ কৰ্মৰাজিৰ কাৰণে অসমে সদায় মনত ৰাখিব।

**উদ্দীপনা শৰ্মা,**
ফ্লেট ২০৮, ব্লক বি, সদাশিৱ এপাৰ্টমেণ্ট, লখিমী নগৰ, হাতীগাঁও, গুৱাহাটী-৭৮১০১৯,
ফোন ঃ ৭০০২৫৮৮০৯৩

## ধৰ্ষণ

আদিম কালৰে পৰা গোটেই পৃথিৱীখন কিছুমান অপৰাধ আৰু অপৰাধীৰে ভৰি আছে। হত্যা, ধৰ্ষণ, অপহৰণ, চোৰ-ডকাইতি ইত্যাদি আটাইবোৰ অপৰাধেই চিন্তনীয় যদিও বৰ্তমান আমাৰ ৰাজ্যখনত কেইবাটাও ধৰ্ষণৰ ঘটনাই জোকাৰি গৈছে। এই ধৰ্ষণৰ কাৰণসমূহ বিশ্লেষণ কৰি চাব লাগিব যদিও প্ৰথমতে ধৰ্ষণকাৰীহঁতক সাংবিধানিকভাৱে কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহিব লাগিব। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ধৰ্ষণকাৰীৰ বিৰুদ্ধে কঠোৰ প্ৰতিবাদ কৰিব লাগিব। চৰকাৰ আৰু প্ৰশাসন ব্যৱস্থায়ো আপোচবিহীনভাৱে ধৰ্ষণকাৰীক উচিত শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। উপযুক্ত প্ৰমাণ পালে বিচাৰ প্ৰক্ৰিয়া লেহেমীয়া কৰিব নালাগে। ক্ষমতা আৰু ধনবলৰ জৰিয়তে যাতে কোনো ধৰ্ষণকাৰীয়ে সাৰি যাব নোৱাৰে তাৰ বাবে আমি প্ৰত্যেকেই সজাগ-সচেতন হোৱা উচিত। আপোনাৰ-মোৰ ওচৰৰ ঘৰত জুই লাগিছে বুলি যদি আমি মৌনতা অৱলম্বন কৰোঁ, তেন্তে সেই জুইৰ শিখাই আপোনাৰ-মোৰ ঘৰখনকো জ্বলাই ছাই কৰি দিব যে ই ধ্ৰুৱপ। সেইবুলি যাতে কোনো নিৰপৰাধী লোক কাৰোবাৰ প্ৰতিশোধৰ বলি হৈ শাস্তি ভোগ কৰিবলগীয়া নহয় তাৰ প্ৰতিও আমি গুৰুত্ব দিব লাগিব।

**ইনামুল মজিদ,**
'ক্ৰন্দসী আলয়' সাতখলি, ছিপাঝাৰ-৭৮৪১৪৫, দৰং,
ফোন ঃ ৬০০০৮৫৪০৩২

## সংৰক্ষণ ব্যৱস্থাটো সকলোতে থকা যুক্তিপূৰ্ণনে?

ভাৰতৰ সংবিধানৰ ৪৬ নম্বৰ অনুচ্ছেদ অনুসৰি সমাজৰ পিছপৰা শ্ৰেণীৰ শিক্ষা আৰু আৰ্থিক উন্নয়নৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। সেই অনুসৰি সংৰক্ষণৰ ব্যৱস্থা আছে। কিন্তু ৰাজ্য অনুসৰি সংৰক্ষণৰ হাৰ একে নহয়। জনসংখ্যা অনুসৰি ইয়াৰ ভাগ বেলেগ বেলেগ।

সংৰক্ষণ ব্যৱস্থাটো সকলো বিভাগতে থকাটো যুক্তিপূৰ্ণনে? আমি সকলোৱে এজন ভাল ডাক্তৰ, ভাল অভিযন্তা, ভাল শিক্ষকৰ কামনা কৰোঁ। ভাল চিকিৎসাৰ বাবে দেশৰ বাহিৰলৈ যাওঁ। আমি যদি অনুধাৱন কৰোঁ দেখা পাম সংৰক্ষণ ব্যৱস্থাৰ বাবে একেজন মানুহ কম মেধাসম্পন্ন হৈয়ো পঢ়িবলৈ, চাকৰি কৰিবলৈ, আনকি চাকৰিৰ পদোন্নতিৰ ক্ষেত্ৰতো একেধাৰে সুবিধা পায়। বাকী অতি মেধাসম্পন্ন ব্যক্তি তেওঁ একে পদতে অৱসৰলৈকে বহি কাম কৰিবলগীয়া হয়। কাম নজনাকৈ পদোন্নতিৰ কিবা অৰ্থ থাকিলনে? মেধাজন মেধা হৈয়ো বহি থাকিল। অথচ ভাল মানৰ সম্পদ এটাৰ অপচয় ঘটিল।

ক্ৰীড়া ক্ষেত্ৰত ভাল খেলুৱৈ থাকিলেহে জয় নিশ্চিত হয়। ইয়াত জানো জাতি-জনগোষ্ঠীৰে নিৰ্বাচন হয়। সংৰক্ষণে ব্যৱস্থা মই উলাই কৰিবলৈ কোৱা নাই। কেৱল ক'ব খুজিছোঁ যিকেইটাত সংৰক্ষণে দেশক উন্নতিতকৈ অধোগতিৰ দিশতহে আগবঢ়াই নিব, সেইকেইটাত সংৰক্ষণ ব্যৱস্থা বন্ধ কৰক। আমি সকলোৱে সৰুৰে পৰা কোনো জাতি ধৰ্ম, বৰ্ণ চিন্তা নকৰি একেলগে পঢ়োঁ, একেলগে খাওঁ, একেলগে খেলোঁ। তেতিয়াতো একো খেলিমেলি নাছিল। কিন্তু খেলিমেলি লাগিল উচ্চ শিক্ষা, চাকৰিৰ ক্ষেত্ৰত। এই খেলিমেলি আমি সংশোধন কৰিব পাৰোঁ। সংবিধান সংশোধন হয়। দেশৰ গণতন্ত্ৰই এই ব্যৱস্থা সংশোধন কৰিব পাৰিব বুলি আমাৰ বিশ্বাস।